# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-02-2025
**Time :** 15-15 Hrs

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::**

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। বিশিষ্ট পদাৰ্থবিজ্ঞানী ছাৰ চি ভি ৰমনৰ দ্বাৰা ৰমন প্ৰভাৱ বা ৰমন বিক্ষেপনৰ আৱিষ্কাৰৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰে ২৮ ফেব্ৰুৱাৰীত এই দিৱস পালন কৰা হয়। চি ভি ৰমনে এই আৱিষ্কাৰৰ বাবে ১৯৩০ চনত ন'বেল বঁটা লাভ কৰিছিল।

যোৰহাট জিলাৰ উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠান, চি এছ্ আই আৰ-নিষ্টত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে আয়োজন কৰা যুৱ বিজ্ঞান সমাৰোহত আজি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অংশ লয়। ডাঃ পেগুৱে তেওঁৰ ভাষণত ৰাজ্যৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহত গৱেষণা পৰিস্থিতি তন্ত্ৰ শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে চি এছ্ আই আৰৰ দৰে আগশাৰীৰ গৱেষণা প্ৰতিষ্ঠানসমূহক এই ক্ষেত্ৰত মহাবিদ্যালয়সমূহক সমৰ্থন আগবঢ়াবলৈ আহ্বান জনায়। অনুষ্ঠানত জ্যেষ্ঠ মন্ত্ৰী অতুল বৰা আৰু সাংসদ কামাখ্যা প্ৰসাদ তাচা উপস্থিত থাকে। জিলাখনৰ বাহনা মহাবিদ্যালয়ত আজি এই দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। অসম বিজ্ঞান সমিতি তিনিচুকীয়া শাখাৰ উদ্যোগত তিনিচুকীয়া জিলাৰ হাতীজান গাঁৱৰ কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ কাৰ্যসূচী পালন কৰা হয়। অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ ড০ ৰাজীৱ বৰদলৈয়ে নৱপ্ৰজন্মৰ মনত বৈজ্ঞানিক মানসিকতাৰ কেনেদৰে বিকাশ কৰিব পাৰি সেই বিষয়ত বক্তব্য আগবঢ়ায়।

বাক্সা জিলাৰ শালবাৰী মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জগত চন্দ্ৰ বসুমতাৰীকে ধৰি বিশিষ্ট ব্যক্তিসকলে বিজ্ঞান দিৱসৰ তাৎপৰ্য তথা সাম্প্ৰতিক সময়ত বিজ্ঞান শিক্ষাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত বক্তব্য আগবঢ়ায়। হাটশিঙিমাৰীৰ জ্ঞানবিকাশ একাডেমীত আজি এখন বিজ্ঞান প্ৰদৰ্শনী মেলা অনুষ্ঠিত হয়। মেলাত ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞানৰ সৈতে জড়িত বিভিন্ন সামগ্ৰী প্ৰদৰ্শন কৰে। বড়োলেণ্ড বিশ্ববিদ্যালয়তো আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়খনৰ ষোড়শ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা অনুষ্ঠানত বি টি আৰৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰমোদ বড়ো মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ২০২৪ আৰু ২০২৫ বৰ্ষৰ ৰাজ্যিক বিজ্ঞান বঁটাৰ বাবে বাছনিপ্ৰাপ্ত বিজ্ঞানী, যুৱ বিজ্ঞানী, উদ্ভাৱক আৰু প্ৰতিষ্ঠানসমূহলৈ অভিনন্দন জনায়। শিক্ষামন্ত্ৰীগৰাকীয়ে এটা বাৰ্তাত কয়, যে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি ৰাজ্য চৰকাৰৰ বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ দ্বাৰা প্ৰদান কৰা এই সন্মানে বিজ্ঞান আৰু প্ৰযুক্তি ক্ষেত্ৰলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱাৰ বাবে বিশিষ্ট বিজ্ঞানী, উদ্ভাৱক তথা অন্যান্য সংস্থা আৰু প্ৰতিষ্ঠানসমূহক অনুপ্ৰাণিত কৰিব।

উল্লেখযোগ্য যে, আই আই টি গুৱাহাটীৰ প্ৰাক্তন সঞ্চালক তথা ভাৰতীয় তথ্য প্ৰযুক্তি প্ৰতিষ্ঠানৰ অধ্যাপক ড০ গৌতম বৰুৱালৈ ২০২৪ বৰ্ষৰ বৈজ্ঞানিক গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত জীৱনজোৰা সাধনা বঁটা

আগবঢ়োৱা হৈছে। একেদৰে আই আই টি গুৱাহাটীৰ ইলেকট্ৰনিকছ আৰু বৈদ্যুতিক অভিযান্ত্ৰিক বিভাগৰ সহকাৰী অধ্যাপক ড০ তন্ময় দত্তলৈ ২০২৪ বৰ্ষৰ যুৱ বিজ্ঞানী বঁটা আগবঢ়োৱা হৈছে। ৰাজ্যখনত বৈজ্ঞানিক গৱেষণা আৰু বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ বাবে ভেষজ্য শিক্ষা আৰু গৱেষণাৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান, নাইপাৰলৈ প্ৰতিষ্ঠান পৰ্যায়ৰ বিজ্ঞান বঁটা আগবঢ়োৱা হৈছে।

২০২৫ বৰ্ষৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ দিলীপ কুমাৰ চৌধুৰীলৈ জীৱনজোৰা কৃতিত্বৰ বঁটা আগবঢ়োৱা হৈছে। পুণেৰ জ্যোতিৰ্বিজ্ঞান আৰু জ্যোতি পদাৰ্থ বিজ্ঞানৰ আন্তঃবিশ্ববিদ্যালয় কেন্দ্ৰৰ গৱেষক ড০ অংশুমান বৰগোঁহাইলৈ এই বৰ্ষৰ যুৱ বিজ্ঞানী বঁটা আগবঢ়োৱা হৈছে। লখিমপুৰৰ অসম বিজ্ঞান লেখক সংস্থাক বৈজ্ঞানিক গৱেষণাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে বিজ্ঞান বঁটা আগবঢ়োৱা হৈছে।

০০০০

জলবায়ু পৰিৱৰ্তনৰ বিষয়ে সজাগতা বৃদ্ধিৰ উদ্দেশ্যে আজি গুৱাহাটী বিশ্ববিদ্যালয়ত জলবায়ু পৰিৱৰ্তন আৰু সংবাদ মাধ্যমৰ ভূমিকা শীৰ্ষক এটা অনুষ্ঠান অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়খনৰ যোগাযোগ আৰু সাংবাদিকতা তথা পৰিবেশ বিজ্ঞান বিভাগৰ উদ্যোগত আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত আয়োজন কৰা এই অনুষ্ঠানত বিভিন্ন সংবাদ সংস্থাৰ ৪০ জনতকৈও অধিক সম্পাদকে অংশগ্ৰহণ কৰে। জলবায়ু পৰিৱৰ্তনে অনা প্ৰত্যাহ্বান আৰু এইক্ষেত্ৰত সংবাদ মাধ্যমে গ্ৰহণ কৰিবলগীয়া ভূমিকা সন্দৰ্ভত তেওঁলোকে আলোচনা কৰে। এই অনুষ্ঠানত  বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য ননীগোপাল মহন্ত মুখ্য অতিথি হিচাপে উপস্থিত থাকি পৰিবেশ বিষয়ত ৰাজহুৱা সজাগতাক গঢ় দিয়াত সংবাদ মাধ্যমৰ গুৰুত্ব সম্পৰ্কে বহলাই কয়। সাংবাদিকসকল বিজ্ঞান আৰু সমাজৰ সমন্বয়ৰ মাধ্যম বুলি উল্লেখ কৰি উপাচাৰ্য্য ডং মহন্তই সচেতনতা আৰু নীতি পৰিৱৰ্তনৰ ক্ষেত্ৰত সংবাদ মাধ্যমৰ দায়িত্ব সম্পৰ্কে আলোকপাত কৰে। অনুষ্ঠানত অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সচিব মিনাক্ষী দাস নাথে এই বিষয়ত ভাষণ দিয়ে। যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰব্বী অধ্যাপক ডং চন্দন কুমাৰ গোস্বামীয়ে আদৰণি ভাষণ দি সংবাদ মাধ্যম যে কেৱল বাৰ্তা বাহক নহয়, ই পৰিৱৰ্তনৰ এটা মাধ্যম, সেই বিষয়ে আলোকপাত কৰে। অনুষ্ঠানৰ সমন্বয়ক ডং ভাৰতী ভড়ালীয়ে এনে এটা সংবেদনশীল  বিষয়ৰ ক্ষেত্ৰত সজাগতা বৃদ্ধিৰ বাবে বিশ্ববিদ্যালয়ৰ সহযোগত প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব বুলি জনায়।

০০০০

সমাপ্ত